بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২০ অক্টোবৰত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

মোৰ বাবে এই নিয়ামত (ঐশ্বৰিক বিভূতি) লাভ কৰাটো সম্ভৱ নাছিল যদি মই মোৰ নেতা ও বাদশ্বাহ, আম্বিয়া সকলৰ গৌৰৱ আৰু সৃষ্টিৰ শ্ৰেষ্ট হজৰত মহম্মদ মোস্তফা (ছাঃ) ৰ নিৰ্দেশিত বিধানৰ আনুগত্য নকৰিলোহেঁতেন।

আমি বেলেগক কোৱাৰ আগতে নিজকে গমি চোৱা উচিত যে আমি হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈ কিমান দূৰ কোৰ'আন কৰিমক নিজৰ আমলৰ নিৰ্দেশক বনাইছো। সত্যক আমি কিমান দূৰ প্ৰতিষ্ঠিত ৰাখিছো, আমি কিমানদুৰ ন্যায় প্ৰতিষ্ঠা কৰোঁতা, লোকৰ হ'ক প্ৰদানাৰ্থে আমি কিমান দুৰ চেষ্টা কৰোঁতা, এইবোৰ হ'ল বয়াতৰ অংশ।

তাশ্বাহুদ তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় বিগত জুমাৰ খোতবাত মই হজৰত মছিহ মাওউদ (আঃ) ৰ এখন বিবৃত্তি পাঠ কৰিছিলো, য'ত তেখেত (আঃ) য়ে মুছলমান সকলৰ সাধাৰণ অৱস্থা সম্পৰ্কে উল্লেখ কৰিছে যে যদি এওঁলোকৰ অৱস্থা এনে কোৱা নহলহেঁতেন আৰু প্ৰকৃততেই এওঁলোকে ইছলামৰ পৰা সম্পূৰ্ণ ৰূপে আঁতৰি নপৰিলেহেঁতেন তেন্তে মোৰ অহাৰ প্ৰয়োজনেই বা কি আছিল। এওঁলোকৰ ঈমানৰ অৱস্থা বৰকৈ দূৰ্বল হৈ গৈছে। এওঁলোকে ভাৱে যে আমাৰ মাজত কোন কথাখিনি ইছলাম বিৰুদ্ধ আছে। আমি লা-ইলাহা ইল্লাল্লাহ কওঁ, নমাজ পঢ়ো, ৰোজাও ৰাখো আৰু জাকাত প্ৰদান কৰো। কিন্তু মই কওঁ যে এওঁলোকৰ সকলো আমল, নেক আমলৰ মাজত গণ্য নহয়। আমল নেক বুলি তেতিয়াহে গণ্য হয় যেতিয়া এয়া সকলো ধৰণৰ বিবাদ আৰু সংমিশ্ৰণৰ পৰা পৱিত্ৰ হয়। কিন্তু এওঁলোকৰ মাজত এইবোৰ কথা ক'ত আছে ?

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বৰ্তমান মুছলমান দেশবোৰত আটাইতকৈ বেছি দন্ধ-বিবাদ হৈ আছে। এজনে আনজনৰ ডিঙি কটাত লিপ্ত। প্ৰত্যেকেই লা-ইলাহা ইল্লাল্লাহ পঢ়ে, আৰু বেলেগে আহি লাইলাহা ইল্লাল্লাহ পঢ়োতাক হত্যা কৰে, তাৰ অধিকাৰ খৰ্ব কৰি লয়। কিয় এইবোৰ আঁহজৰত (ছাঃ) ৰ জীৱনাদৰ্শ হয়নে এই লোক সকলে যাৰ আনুগত্য কৰি আছে ? হজৰত আয়শা (ৰাঃ) বৰ্ণনা কৰিছে যে كَانَ خُلُقُهُ الْقُرْاٰنُ। যে তেখেত (ছাঃ) ৰ জীৱনী আৰু আদৰ্শ সম্পৰ্কে জানিবলৈ যদি বিচৰা তেন্তে কোৰ'আন কৰিমেই তেখেত (ছাঃ) ৰ জীৱণ চৰিত্ৰৰ ব্যাখ্যা সেয়া পঢ়ি লোৱা। আল্লাহ তায়লায়ও এয়া কৈছে যে; মোৰ লগত সম্পৰ্ক কেৱল লাইলাহা ইল্লাল্লাহ উচ্চাৰণ কৰিলেই প্ৰতিষ্ঠিত নহয় বৰং যদি মোৰ ভালপোৱা লাভ কৰিব বিচৰা তেন্তে মোৰ প্ৰেমিক ৰছুলৰ আনুগত্য কৰি যোৱা। তেখেতৰ জীৱণাদৰ্শ আপোন কৰি লোৱা তেতিয়া মোৰ প্ৰিয় হৈ যাবা। আল্লাহ তায়লা কৈছে যে;

قُلۡ اِنۡ کُنۡتُمۡ تُحِبُّوۡنَ اللّٰہَ فَاتَّبِعُوۡنِیۡ یُحۡبِبۡکُمُ اللّٰہُ وَیَغۡفِرۡ لَکُمۡ ذُنُوۡبَکُمۡ ؕ وَاللّٰہُ غَفُوۡرٌ رَّحِیۡمٌ। তুমি জনাই দিয়া যে যদি তোমালোকে আল্লাহ তায়লাক ভাল পাব বিচৰা তেন্তে মোৰ আনুগত্য কৰা, আল্লাহ তায়লা তোমাক ভাল পাব, আৰু তোমালোকৰ গোনাহ ক্ষমা কৰি দিব আৰু আল্লাহ বহুত ক্ষমা কৰোঁতা আৰু বাৰে বাৰে দয়া কৰোঁতা। উলমা সকলক সাধাৰণ মুছলমান সকলে আল্লাহ তায়লাৰ প্ৰেমাস্তপদ বুলি ভাৱে, আজি পৃথিৱীত তেওঁলোকে আটাইতকৈ বেছি বিবাদৰ জন্ম দি আছে। গতিকে বৰ্তমানে মুছলমান সকলৰ সাধাৰণ অৱস্থাই এই কথাৰ সাক্ষ্য বহন কৰে যে কোৰ'আন আৰু ছুন্নতৰ গুঢ়াৰ্থ বুজাবলৈ কোনোবাই আহিব লাগে আৰু প্ৰতিশ্ৰুতি অনুযায়ী আল্লাহ তায়লা তাক পঠাইছে। কিন্তু উলমা সকলে নেতাৰ কথা শুনিব বিচাৰে নে জনসাধাৰণক শুনিবলৈ দিয়ে বৰং আল্লাহ তায়লাৰ ফালৰ পৰা অহা জনৰ বিৰুদ্ধে কুফৰ ফতোৱা লগাই দন্দ বিবাদৰ জন্ম দিয়ে। হজৰত মছিহ মাওউদ (আঃ) ক দোষাৰোপ কৰা হয় যে (নাউযুবিল্লাহ) তেখেত জাগতিক ইচ্ছা পুৰণাৰ্থে আৰু নিজকে উচ্চ দেখুৱাবলৈ এই জমাত প্ৰতিষ্ঠা কৰিছে। যিয়েই নহওক আমি জানো যে তেখেত (আঃ) য়ে আঁহজৰত (ছাঃ) ৰ সত্যপ্ৰাণ দাস আছিল আৰু তেখেত (ছাঃ) ৰ চৰিয়তক সম্পুৰ্ণ কৰিবলৈ আল্লাহ তায়লা তেখেত (আঃ) ক পঠাইছে। তেখেত (আঃ) য়ে সদায় কোৰ'আন কৰিমৰ শিক্ষাৰ আলোকত আমাক পথ

নিৰ্দেশনা দিছে। সেয়ে এই আয়াত قُلْ إِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ । বিভিন্ন সময়ত ভিন্ন-ভিন্ন অৰ্থৰ সৈতে তেখেত (আঃ) য়ে ব্যাখ্যা কৰিছে আৰু এইবোৰেই হ'ল সেইবোৰ কথা যিয়ে আল্লাহ তায়লাৰ সান্নিধ্য যাঁচি তাৰ প্ৰেমাস্পদ বনাই দিয়ে আৰু অপ্ৰিতীকৰ দন্দ্ধ বিবাদৰ পৰা আঁতৰাই ৰাখে। মুছলমান সকলৰ বাবে নিজৰ অস্তিত্ব আৰু শান্তি অটুট ৰাখিবলৈ ইয়াৰ বাহিৰে আন কোনো উপায় নাই। ভাল ফলাফল তেতিয়াহে ওলাব যেতিয়া আঁহজৰত (ছাঃ) ৰ প্ৰকৃত আনুগত্য কৰা হ'ব নহলে লা-ইলাহা ইল্লাল্লাহৰ ধ্বনি সাৰশূন্য আৰু ৰছুলুল্লাহ (ছাঃ) ৰ জয়ধ্বনিও সাৰশূন্য হ'ব।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে, হজৰত মছিহ মাওউদ (আঃ) ৰ কিছুমান বিবৃতি উল্লেখ কৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে মুছলমান সকলৰ অন্তকলহৰ মূল কাৰণ হ'ল জাগতিকতাৰ প্ৰাধান্যতা কিয়নো যদি আল্লাহ তায়লাৰ প্ৰাধান্যতা বেছি থাকিলেহেঁতেন তেন্তে সহজেই বুজি পালেহেঁতেন যে অমুক ফিৰকাৰ (দলৰ) নীতি নিয়ম বেছি শুদ্ধ আৰু তেওঁলোকে সেয়া গ্ৰহণ কৰি ললেহেঁতেন। সেয়ে এতিয়া যিহেতু জাগতিক মোহত পৰি বেয়াৰ জন্ম দি আছে তেন্তে এওঁলোকক কেনেকৈ মুছলমান বুলি ক'ব পৰা যায়। আল্লাহ তায়লা কৈছে যে قُلْ إِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ । অৰ্থাৎ জনাই দিয়া যে যদি তোমালোকে আল্লাহ তায়লাক ভাল পাব খোজা তেন্তে মোৰ আনুগত্য কৰা, আল্লাহ তায়লা তোমাক ভাল পাব। এই ক্ষেত্ৰত তেখেত (আঃ) কৈছে যে এতিয়া মানুহে আল্লাহ আৰু ৰছুলক আনুগত্য আৰু ভাল পাবলৈ এৰি জাগতিক ভালপোৱাক প্ৰাধান্য দিবলৈ লৈছে। এইবোৰ আঁহজৰত (ছাঃ) ৰ আনুগত্য কৰা বুলিব পাৰিনে? কিয় ! আঁহজৰত (ছাঃ) দুনীয়াদাৰ লোক আছিলনে? নাউজুবিল্লাহ তেখেতে সুদ গ্ৰহণ কৰিছিলনে? অথবা আল্লাহ প্ৰদত্ত দায়িত্ব আৰু নিৰ্দেশ পালনত অলসতা দেখুৱাইছিলনে? কিয় তেখেত (ছাঃ) য়ে আল্লাহ তায়লাৰ আশ্ৰয় বিচৰাটো এটা অভিনয় আছিলনে? পাৰ্থিৱতাক দ্বীনৰ ওপৰত প্ৰাধান্য দিছিলনে? চিন্তা কৰা ! আনুগত্য হ'ল এয়া যে তেখেত (আঃ) ক অনুসৰণ কৰি চলা, দেখিবা খোদা তায়লা কেনেদৰে কৃপা বৰ্ষণ কৰে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বৰ্তমানে কাৰ্যক্ষেত্ৰত মুছলমান সকলৰ যি অৱস্থা আৰু এওঁলোকৰ বিৰুদ্ধে আল্লাহ তায়লাৰ কাৰ্য্যই যি সাক্ষ্য বহন কৰিছে, সেয়াই এই কথাৰ প্ৰমাণ দিয়ে যে এওঁলোকৰ অৱস্থা বেয়াৰ ফালে গৈ আছে। এখন দেশ আন এখন দেশৰ সৈতে বিবাদত লিপ্ত হৈ পৰিছে। মুছলমান দেশ এখনে আন এখন মুছলমান দেশৰ বিৰুদ্ধে কাজিয়া কৰিবলৈ অমুছলিম দেশৰ ওচৰত সহায় ভিক্ষা কৰি আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে তাৰেই চিত্ৰ দাঙি ধৰিছে যে তোমালোকে বিচ্ছিন্ন হৈ পৰিছা গতিকে আল্লাহ তায়লাৰ কৃপা কেনেকৈ লাভ কৰিবা ।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মই সচাঁকৈ কৈছো আৰু নিজৰ অভিজ্ঞতাৰে কওঁ যে কোনো ব্যাক্তিক প্ৰকৃত নেকি কৰোঁতা আৰু খোদা তায়লাৰ সন্তুষ্টি লাভ কৰোঁতা বুলি ধৰিব নোৱাৰি আৰু সেই কল্যান ও পুৰস্কাৰ আৰু তত্ত্বজ্ঞান আৰু দিব্যদৰ্শন লাভ কৰোঁতা হ'ব নোৱাৰে (যিবোৰ উচ্চ পৰ্যায়ৰ পৱিত্ৰ প্ৰাণে লাভ কৰে) যেতিয়ালৈকে তেওঁ ৰছুলুল্লাহ (ছাঃ) ৰ আনুগত্যৰ মাজত নিজকে বিলীন কৰি নিদিয়ে। তাৰ প্ৰমাণ খোদা তায়লাৰ বানীৰ পৰা পোৱা যায় যেনে قُلْ إِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ । খোদা তায়লাৰ এই দাবীৰ কাৰ্যকৰী আৰু জীৱন্ত প্ৰমাণ হিচাপে তেখেত (আঃ) য়ে নিজকে আঙুলিয়াইছে যে মই আছো। এই যুগত মোৰ সৈতে আল্লাহ তায়লা কথা কয় কাৰণ মই আঁহজৰত (ছাঃ) ৰ সত্বাত নিজকে হেৰাইছো, তেখেত (ছাঃ) ৰ আনুগত্য কৰিছো, সেয় আল্লাহ তায়লা মোৰ সৈতে ভাল পোৱাৰ আঁচৰণ কৰিছে। গতিকে দোষাৰোপ কাৰী সকলে তেখেত (আঃ) ৰ ওপৰত দোষ জাপি দিয়ে যে তেখেত (আঃ) য়ে আঁহজৰত (আঃ) ৰ মৰ্যদা হীন কৰিছে। উল্লেখ কৰিছে যে যি মৰ্যদা মই লাভ কৰিছো সেয়া আঁহজৰত (আঃ) ৰ ভালপোৱা আৰু পূৰ্ণ আনুগত্যৰ জৰিয়তে লাভ কৰিছো ।আকৌ আল্লাহ তায়লা এনেকুৱা কল্যান মণ্ডিত কৰিছে যে নিজৰ বন্ধুক ভাল পোৱাৰ বাবে মোকেও বন্ধু বনাই লৈছে। এই পূৰ্ণ আনুগত্যৰ ফলস্বৰূপে আল্লাহ তায়লা তেখেত (আঃ) ক যি দায়িত্ব অৰ্পন কৰিছে সেই সম্পৰ্কে তেখেত (আঃ) য়ে কৈছে যে; মোক পঠোৱা হৈছে যাতে মই আঁহজৰত (ছাঃ) ৰ হেৰাই যোৱা মহত্ব পুনৰ প্ৰতিষ্ঠা কৰিব পাৰো আৰু কোৰ'আন কৰিমৰ সত্যতা বিশ্ব বাসীক দেখুৱাব পাৰো। এই বোৰ কাম চলি আছে কিন্তু যি সকলৰ চকু ঢাক খাই আছে তেওঁলোকে এয়া দেখিবলৈ নেপায়।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে মহত্বৰ সৌভাগ্য অৰ্জনৰ বাবে আল্লাহ তায়লা এটা উপায় খুলি ৰাখিছে সেয়া হ'ল ৰছুলে কৰিম (ছাঃ) ৰ আনুগত্য কৰা। যেনেকৈ এই আয়াতত কৈছে قُلْ إِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ ।

অৰ্থাৎ আহা ! মোৰ আনুগত্য কৰা যাতে আল্লাহ তায়লা তোমাক বন্ধু হিচাপে ৰাখে। উক্ত বাক্য শাৰীৰ অৰ্থ এয়া নহয় যে পৰম্পৰাগত হিচাপে ইবাদত কৰি যোৱা। নমাজ এনেকুৰা বাবে পঢ়িব লাগিব যেনেকৈ তাৰ হ'ক আৰু সময় আছে তাক পালন কৰিব লাগিব। তুমি এনেকুৰা ধাৰনাৰ সৈতে ইবাদত কৰি যোৱা যেনিবা তুমি আল্লাহ তায়লাৰ সন্মুখত থিয় হৈ আছা। উল্লেখ কৰে যে ইছলামৰ অৰ্থ হ'ল এয়া যে ছাগলীৰ দৰে মূৰ পাতি দিয়া যেনেকৈ ৰছুলুল্লাহ (ছাঃ) য়ে কৈছে যে মোৰ মৰণ মোৰ জীৱণ, মোৰ নমাজ, মোৰ কুৰবানী আদি সকলো আল্লাহ তায়লাৰ বাবে আৰু মইয়েই সকলোৰে আগত (আল্লাহৰ ওচৰত) ডিঙি পাতি দিওঁ। গতিকে প্ৰকৃত আনুগত্যকাৰী সকলে নিজৰ উপসনাৰ মান উন্নত কৰিব লাগিব নহলে আমাৰ আনুগত্যৰ দাবী সাৰশূন্য হৈ পৰিব।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে সচাঁ আনুগত্য হ'ল পৱিত্ৰ চৰিত্ৰ যাৰ উল্লেখ কোৰ'আন কৰিমত আছে, তাৰে জন্ম দিব লাগিব। হজৰত আয়শা (ৰাঃ) কৈছে كَانَ خُلُقُهُ الْقُرْآنُ । যে তেখেত (ছাঃ) ৰ পৱিত্ৰ চৰিত্ৰ যদি দেখিব বিচৰা তেন্তে কোৰ'আন কৰিম পঢ়ি চোৱা সেয়াই তাৰ বৰ্ণনা । গতিকে আমি কোৰ'আন কৰিম পঢ়াৰ প্ৰয়োজন আছে। প্ৰত্যেক জন মানুহৰ নিজে নিজে গৈ খোদা তায়লাৰ নৈকট্য লাভৰ শক্তি নাই গতিকে ইয়াৰ বাবে সহায়ক সম্পৰ্কৰ প্ৰয়োজন আছে আৰু সেই সহায়ক সম্পৰ্ক হ'ল কোৰ'আন কৰিম আৰু আঁহজৰত (ছাঃ)। মানুহ হ'ল আচলতে দাস, আৰু দাসৰ কাম হ'ল তাৰ প্ৰভূৰ নিৰ্দেশ পালন কৰা। এনেদৰে যদি তুমি আঁহজৰত (ছাঃ) ৰ কল্যাণ লাভ কৰিব খোজা তেন্তে তেখেত (ছাঃ) ৰ দাসত পৰিণত হৈ যোৱা। কোৰ'আন কৰিমত আল্লাহ তায়লা কৈছে قل يعبادى الذين اسرفوا على انفسهم। অৰ্থাৎ জনাই দিয়া হে মোৰ বান্দা সকল, যি সকলে নিজৰ প্ৰাণৰ সৈতে অন্যায় কৰি আছা। (ইয়াতে বান্দাৰ অৰ্থ হ'ল দাস) ৰছুলুল্লাহ (ছাঃ) ৰ বান্দা হিচাপে তেখেত (ছাঃ) ৰ প্ৰতি দৰূদ প্ৰেৰণ কৰা, তেখেতৰ কোনো আদেশ অমান্য নকৰিবা , সেই সকলোবোৰ নিৰ্দেশ পালন কাৰী হৈ যোৱা যেনেকৈ আদেশ দিয়া আছে ।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে আল্লাহ তায়লাক আনন্দিত কৰাৰ এটাই উপায় আছে যে আঁহজৰত (ছাঃ) ৰ পূৰ্ণ আৰু সঁচা আনুগত্য কৰা যায়। দেখিবলৈ পোৱা যায় যে লোকে বিভিন্ন ধৰণৰ ৰীতি-নীতি পৰম্পৰাত আবদ্ধ হৈ পৰিছে। কোনোবায় মৃত্যু বৰণ কৰিলে তাৰ বাবে বিভিন্ন ধৰণৰ বিদাত ক্ৰিয়া কৰ্ম কৰিবলৈ ধৰে। এইবোৰ বেয়া ৰীতি-নীতিৰ জৰিয়তে কেৱল আঁহজৰত (ছাঃ) ৰ বিৰুধীতাই নহয় অপমানও কৰা হৈ আছে।

আকৌ এঠাইত তেখেত (আঃ) উল্লেখ কৰিছে যে, যিজন ব্যক্তিয়ে কয় যে আঁহজৰত (ছাঃ) ৰ আনুগত্য নকৰাকৈয়ে মুক্তি পাব পাৰে, তেওঁ হ'ল মিছলীয়া । খোদা তায়লা আমাক যি শিকাইছে সেয়া ইয়াৰ সম্পূৰ্ণ বিপৰীত। খোদা তায়লা কৈছে যে قُلْ إِنْ كُنْتُمْ تُحِبُّونَ اللّٰهَ فَاتَّبِعُونِي يُحْبِبْكُمُ اللّٰهُ । অৰ্থাৎ এই ৰছুল মহম্মদ (ছাঃ) তেওঁলোকক কৈ দিয়া যে যদি তোমালোকে খোদা তায়লাক ভাল পোৱা তেন্তে আহাঁ মোৰ আনুগত্য কৰা, তোমালোক খোদা তায়লাৰ বন্ধু হৈ পৰিবা। আঁহজৰত (আঃ) অনুসৰণ নকৰাকৈ মুক্তি সম্ভৱ নহয়। যি সকলে আঁহজৰত (ছাঃ) ক হিংসা কৰে তেওঁলোকৰ কল্যাণ সম্ভৱ নহয়।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয়, **"কুল ইন কুনতুম"** আয়াতৰ পৰা হজৰত মছিহ মাওউদ (আঃ) য়ে ঈছা (আঃ) ৰ মৃত্যুৰ সুন্দৰ প্ৰমাণ আগবঢ়াইছে। আৰৱ দেশত এতিয়াও ঈছা (আঃ) ক জীৱিত অৱস্থাত আকাশত থকা বুলি বিশ্বাস কৰে হজৰত মছিহ মাওউদ (আঃ) য়ে এই ধাৰণা বাতিল কৰি উল্লেখ কৰিছে যে মোৰ বোধেৰে মোমিন হ'ল সেই জন যিজনে আঁহজৰত (ছাঃ) ৰ আনুগত্য কৰে আৰু সেই জনেই মৰ্যদা প্ৰাপ্ত হ'ব পাৰে যেনেকৈ আল্লাহ তায়লা কৈছে قُلْ إِنْ كُنْتُمْ تُحِبُّونَ اللّٰهَ فَاتَّبِعُونِي يُحْبِبْكُمُ اللّٰهُ । অৰ্থাৎ জনাই দিয়া যে যদি তোমালোকে আল্লাহ তায়লাক ভাল পোৱা মোৰ আনুগত্য কৰা, যাতে আল্লাহ তায়লা তোমালোকক নিজৰ বন্ধু বনাই লয়। তেখেত (আঃ) উল্লেখ কৰিছে যে ভালপোৱাৰ চিহ্ন হ'ল এয়া যে বন্ধুৰ কাৰ্য্যৰ সৈতেও সম্পৰ্ক হ'ব লাগিব। আনহাতে মৃত্যু আঁহজৰত (ছাঃ) ৰ চুন্নত অৰ্থাৎ তেখেত (ছাঃ) য়ে মৃত্যুবৰণ কৰিছে। তেখেত (ছাঃ) য়ে মৃত্যুবৰণ কৰি দেখুৱাই দিছে, আকৌ কোনে আছে যে যিজনে জীয়াই থাকিব পাৰে বা জীয়াই থকাৰ আশা কৰে। তেখেত (আঃ) কৈছে যে ভালপোৱাৰ আচল দৃশ্য পট হ'ল এয়া যে আঁহজৰত (ছাঃ) ৰ আনুগত্যৰ মাজত এনেদৰে হেৰাই যোৱা যে নিজৰ প্ৰবৃত্তিৰ একো নাই আৰু ভাবি লোৱা যে মই কোনোবা জনৰ উম্মত (অনুসৰণকাৰী) এনে বিশ্বাসৰ মাজত যিজনে ঈছা (আঃ) ৰ বিষয়ে ধাৰণা ৰাখে যে তেখেতে এতিয়ালৈকে জীৱিত আছে, তেওঁ কেনেকৈ আঁহজৰত (ছাঃ) ৰ প্ৰতি ভালপোৱা আৰু

আনুগত্যৰ দাবী কৰিব পাৰে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে মই এক মাত্ৰ খোদা তায়লাৰ কৃপাত এই নিয়ামত লাভ কৰিছো, নিজৰ দক্ষতাৰ বলত নহয় যি নিয়মত মোৰ আগত নবী, ৰছুল আৰু খোদা তায়লাৰ প্ৰিয় লোক সকলক দিছিল। মোৰ বাবে এই নিয়ামত (ঐশ্বৰিক বিভূতি) লাভ কৰাটো সম্ভৱ নাছিল, যদি মই মোৰ নেতা ও বাদছাহ আম্বিয়া সকলৰ গৌৰৱ, আৰু সৃষ্টিৰ শ্ৰেষ্ঠ হজৰত মহম্মদ মোস্তফা (ছাঃ) ৰ নিৰ্দেশিত বিধানৰ আনুগত্য নকৰিলোহেঁতেন। গতিকে মই যি পাইছো তাৰ আনুগত্যৰ বলত পাইছো আৰু মই নিজৰ সচাঁ আৰু সম্পূৰ্ণ অভিজ্ঞতাৰে জানিব পাৰিছো যে কোনো মানুহেই নবী (ছাঃ) ৰ আনুগত্য নোহোৱাকৈ খোদা তায়লাৰ সান্নিধ্যলৈ যাব নোৱাৰে আৰু তত্ত্বজ্ঞান সম্ভলিত আধ্যাত্মিকতাৰ ভাগ লব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে তেখেত (আঃ) আঁহজৰত (ছাঃ) ৰ পূৰ্ণ প্ৰেমিক আৰু আনুগত্যকাৰী আছিল যাৰ ফলস্বৰূপে খোদা তায়লা তেখেতক আদৰি লৈ মছিহ মাওউদ, মাহদী মাহুদ আৰু অধীন নবী হোৱাৰ গৌৰৱ দান কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়লা আমালোকক তেখেত (আঃ) ক মানি লোৱাৰ পিছত তাৰ সন্মান ৰক্ষা কৰাৰ তৌফিক দান কৰক। মুছলমান সকলক তৌফিক দান কৰক যাতে এওঁলোকে আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাস ও প্ৰেমিক হজৰত মছিহ মাওউদ (আঃ) ক চিনিব পাৰে আৰু মানি লৱ পাৰে। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 20 October 2017**

**BOOK POST (PRINTED MATTER)**

**To**

-----------------------------------------------------------------

-----------------------------------------------------------------

-----------------------------------------------------------------

-----------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**